**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 2-07-2024
**Time :** 1715 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

::::::::::::::::::::::::::::::::::::

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ৰাষ্ট্ৰপতিয়ে দিয়া ভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱ সম্পৰ্কীয় আলোচনাৰ উত্তৰ দিয়ে। তেওঁৰ চৰকাৰ মাথোঁ ৰাষ্ট্ৰ প্ৰথম নীতিৰেই পৰিচালিত হোৱা বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে দেশৰ জনগণে বিজেপি চৰকাৰৰ দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতিক সমৰ্থন কৰি লোকসভা নিৰ্বাচনত এই চৰকাৰকে পুনৰবাৰ শাসনাধিস্থ কৰিছে। তেওঁ কাইলৈ ৰাজ্যসভাক সম্বোধন কৰিব।

ইপিনে, লোকসভাত ধন্যবাদসূচক প্ৰস্তাৱ সম্পৰ্কীয় আলোচনাত অংশ লৈ সমাজবাদী পাৰ্টীৰ অখিলেশ যাদৱে আজি কয় যে বৰ্তমান চৰকাৰৰ নিৰংকুশ সংখ্যাগৰিষ্ঠতা নাই আৰু আই এন ডি এ মিত্ৰজোঁটৰ বাবে এয়া বিজয় স্বৰূপ। শ্ৰী যাদৱে লগতে ভাৰতীয় অৰ্থ ব্যৱস্থাক লৈ প্ৰশ্ন উত্থাপন কৰি কয় যে ভাৰত বিশ্বৰ পঞ্চম সৰ্ববৃহৎ অৰ্থ ব্যৱস্থাৰ দেশ ৰূপে পৰিগণিত হোৱা সত্বেও জনমূৰি আয় এতিয়াও কম হৈ আছে। প্ৰশ্নকাকত ফাদিলৰ বিষয় লৈ চৰকাৰক আক্ৰমণ কৰি সমাজবাদী পাৰ্টীৰ নেতাগৰাকীয়ে কয় যে চৰকাৰে যুৱক-যুৱতীসকলক কৰ্ম সংস্থাপনৰ সুযোগ প্ৰদান কৰিব নিবিচাৰে।

যোৰহাটৰ কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈয়ে ৰাজ্যৰ বান পৰিস্থিতিৰ কথা উল্লেখ কৰি কেন্দ্ৰীয় চৰকাৰক এন ডি আৰ এফ বাহিনীৰ সহায় আগবঢ়াবলৈ আহ্বান জনায়।

আলোচনাত ভাগ লৈ দৰং-ওদালগুৰিৰ বিজেপি সাংসদ দিলীপ শইকীয়াই লোকসভাত কয় যে হিন্দু আদৰ্শ আৰু সনাতন সংস্কৃতিৰ বাবে দেশ ধৰ্ম নিৰপেক্ষ হৈ আছে। ৰাহুল গান্ধীয়ে এটা বিশেষ সম্প্ৰদায়ক সমালোচনা কৰাৰ বাবে ক্ষমা খোজা উচিত বুলি সাংসদগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয় যে প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে জৰুৰীকালীন অৱস্থা বলৱৎ কৰি গণতন্ত্ৰ আৰু সংবিধানক ধবংস কৰাৰ চেষ্টা চলাইছিল আৰু ৰাহুল গান্ধীয়ে তাৰ বাবেও ক্ষমা খোজা উচিত। তেওঁ লগতে কয় যে কংগ্ৰেছে দেশৰ প্ৰগতি নিবিচাৰে। কংগ্ৰেছে বিগত তিনিটা লোকসভা নিৰ্বাচনত বিজেপিয়ে এইবাৰৰ সাধাৰণ নিৰ্বাচনত লাভ কৰাৰ সমানো আসন লাভ কৰিবলৈ সমৰ্থ হোৱা নাই বুলি সাংসদগৰাকীয়ে প্ৰকাশ কৰে।

ৰাজ্যসভাতো ৰাষ্ট্ৰপতি ভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা চলি আছে। আলোচনাত অংশগ্ৰহণ কৰি অসম গণ পৰিষদৰ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই অসমৰ ছটা জনগোষ্ঠীক অনুসূচিত জনজাতিৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ বিষয়টো উত্থাপন কৰে। তেওঁ লগতে বান আৰু খহনীয়াক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিবলৈ দাবী জনায়। ৰাজ্যখনৰ অবৈধ প্ৰব্ৰজনকাৰীৰ বিষয় লৈ মন্তব্য কৰে আৰু ৰাজ্যখনৰ থলুৱা জনসাধাৰণৰ পৰিচয় সুৰক্ষিত কৰাৰ বাবে পদক্ষেপ লোৱাৰ আৱশ্যকতাৰ গুৰুত্ব আৰোপ কৰে।

000000000

ৰাজ্যৰ বান পৰিস্থিতি অধিক শোচনীয় হৈ পৰিছে। প্ৰলয়ংকৰী বানত ৰাজ্যৰ ২০খন জিলাৰ ৬ লাখ ৪০ হাজাৰতকৈও অধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে। যোৱা ২৪ ঘণ্টাত বানত পৰি ধেমাজি আৰু তিনিচুকীয়া জিলাত এজনকৈ লোকে প্ৰাণ হেৰুৱাইছে। ইয়াকে লৈ এইবাৰৰ বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৩৬ লৈ বৃদ্ধি পালে। আনহাতে, গোলাঘাট জিলাৰ এজন লোক সন্ধানহীন হৈ আছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা বান পৰিস্থিতিৰ বুজ ল'বলৈ আজি গোলাঘাটত উপস্থিত হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে বোকাখাতৰ বান পীড়িত অঞ্চলসমূহ পৰিদৰ্শন কৰি

ক্ষতিগ্ৰস্ত লোক সকলৰ বাবে সাহায্য সুনিশ্চিত কৰাৰ ক্ষেত্ৰত চৰকাৰে নিৰন্তৰ কাম কৰি আছে বুলি উল্লেখ কৰে। ইপিনে, কলিয়াবৰ হাতীমূৰা বান্ধ ব্ৰহ্মপুত্ৰৰ বাঢ়নি পানীয়ে চিঙি পেলোৱা তথা জিলাখনত হৈ থকা বান পৰিস্থিতি পৰ্যালোচনা কৰাৰ উদ্দেশ্যে আজি কলিয়াবৰত এখন জৰুৰীকালীন বৈঠক অনুষ্ঠিত হয়। বৈঠকত মন্ত্ৰী কেশৱ মহন্তৰ লগতে জিলাখনৰ আয়ুক্ত, অতিৰিক্ত আয়ুক্ত, মহকুমাধিপতি আৰু অতিৰিক্ত আয়ুক্তসকল উপস্থিত থাকে।

যোৰহাট জিলাতো ব্ৰহ্মপুত্ৰ জলপৃষ্ঠই বিপদ সীমা অতিক্ৰম কৰিছে। শিৱসাগৰ জিলাতো প্ৰায়বোৰ নদীয়ে জলস্তৰ বৃদ্ধি পোৱাত জিলাখনৰ তিনিটা ৰাজহ চক্ৰৰ ৫৫খন গাঁও বানৰ কবলত পৰিছে। প্ৰশাসনে যুদ্ধশালীন ক্ষীপ্ৰতাৰে উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। এন ডি আৰ এফ বাহিনীৰ ৰবৰৰ নাৱৰেৰে বানাক্ৰান্ত অঞ্চলসমূহৰ পৰা মহিলা তথা শিশুসকলৰ নিৰাপদ স্থানলৈ নিয়াৰ ব্যৱস্থা কৰিছে। আনহাতে, ক্ষতিগ্ৰস্ত লোকসকলে যাতে বিশুদ্ধ খোৱাপানী, খাদ্যৰ লগতে নিৰাপদ আশ্ৰয় লাভ কৰে তাৰ বাবে প্ৰশাসনে ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই আজি জিলাখনৰ বিভিন্ন অঞ্চল পৰিদৰ্শন কৰি বানত ক্ষতিগ্ৰস্ত লোকসকলৰ উদ্ধাৰ, পুনৰ সংস্থাপন, সাহায্য আদি ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা ল'বলৈ প্ৰশাসনক নিৰ্দেশ দিছে।

০০০০০০০০০

শুভমন গিলৰ নেতৃত্বত ভাৰতৰ পুৰুষ ক্ৰিকেট দলটোৱে অহা ৬ৰ পৰা ১৪ জুলাইলৈ জিম্বাব'ৱেৰ বিৰুদ্ধে হ'বলগীয়া পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ বাবে জিম্বাব'ৱেলৈ ৰাওনা হৈছে। শৃংখলাৰ আটাইকেইখন খেল হাৰাৰে স্পৰ্টছ্ ক্লাব খেলপথাৰত অনুষ্ঠিত হ'ব। সদ্য সমাপ্ত টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে যোৱা তথা জিম্বাব'ৱেৰ শৃংখলাৰ বাবে পূৰ্বঘোষিত ১৫ জনীয়া ভাৰতীয় দলৰ তিনিগৰাকী সদস্য ৱেষ্ট ইণ্ডিজৰ বাৰবাডোছত ঘূৰ্ণীবতাহৰ বাবে আবদ্ধ হৈ আছে। ইয়াৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে প্ৰথম দুখন খেলৰ বাবে সঞ্জু ছেমছন, শিৱম ডুবে আৰু য়শস্বী জয়ছোৱালৰ ঠাইত তিনিগৰাকী বিকল্প খেলুৱৈ ছাই সুদৰ্শন, জিতেশ শৰ্মা আৰু হৰ্ষিত ৰানাক দলত অন্তৰ্ভুক্ত কৰিছে। উল্লেখযোগ্য যে ভাৰতীয় দলটোত ধ্ৰুৱ জুৰেল, ৰিয়ান পৰাগ, ৱাশ্বিংটন সুন্দৰ, ৰবি বিষ্ণইৰ দৰে যুৱ খেলুৱৈসকলে স্থান লাভ কৰিছে। দলটোৰ সৈতে ভি ভি এছ লক্ষ্মণে প্ৰশিক্ষকৰূপে যাত্ৰা কৰিছে।

আনহাতে ঘৰুৱা দল জিম্বাব'ৱেও শৃংখলাটোৰ বাবে ১৭ জনীয়া দলটোৰ সদস্যসকলৰ নাম ঘোষণা কৰিছে। জ্যেষ্ঠ খেলুৱৈ তথা বেটছমেন ছিকন্দৰ ৰাজাক যুৱ দলটোৰ অধিনায়কৰ দায়িত্ব অৰ্পণ কৰা হৈছে।

০০০০০০০০০

ঃসমাপ্তঃ